**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 25-02-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin

### Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি গুৱাহাটীত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ শুভাৰম্ভ।

২। চাহ উদ্যোগ আৰু চাহ জনজাতিৰ উন্নয়নে অসমৰ বিকাশৰ গতি ত্বৰান্বিত কৰিব বুলি প্ৰধানমন্ত্ৰীৰ মত প্ৰকাশ।

৩। ৰাজ্যৰ চাহ শ্ৰমিকসকলক ভূমিৰ অধিকাৰ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৪। এডভাণ্টেজ আছামত অংশগ্ৰহণৰ বাবে অসমলৈ অহা কেইবাখনো ৰাষ্ট্ৰৰ প্ৰতিনিধিৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আলোচনা।

*আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত কালি ৫ উইকেটত বাংলাদেশৰ বিৰুদ্ধে নিউজিলেণ্ডৰ জয়লাভ।

০০০০০

দেশী-বিদেশী বিনিয়োগকাৰীৰ অংশগ্ৰণেৰে আজি আৰু কাইলৈ গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এই সন্মিলন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে কালি খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰদৰ্শনী পৰিদৰ্শন কৰে। শ্ৰী মোদীয়ে প্ৰদৰ্শনীত অংশগ্ৰহণকাৰীসকলৰ সৈতে মত বিনিময় কৰে। এই প্ৰদৰ্শনীত দেশৰ কেইবাটাও আগশাৰীৰ উদ্যোগ প্ৰতিষ্ঠান আৰু ৰাজ্যৰ বহু ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে ঔদ্যোগীক দিশসমূহ প্ৰদৰ্শন কৰিছে। প্ৰদৰ্শনীত অসমৰ সকলো পৰম্পৰাগত বস্ত্ৰ সম্ভাৰ, পৰ্যটনৰ সম্ভাৱনাৰ আৰম্ভ কৰি ৰাজ্যৰ পৰম্পৰাগত শক্তি আৰু ভৱিষ্যতৰ সম্ভাৱনা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। কালি প্ৰধানমন্ত্ৰীয়ে প্ৰদৰ্শনী পৰিদৰ্শন কৰাৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড০ মাণিক সাহা, তথ্য প্ৰযুক্তি আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, মুখ্য সচিব ড০ ৰবি কোটাও উপস্থিত থাকে। এডভাণ্টেজ আছামত ৰিলায়েন্স, আদানী, বেদান্ত, জে এছ ডব্লিউ, ৰেলস্পুন গ্ৰুপকে ধৰি দেশ-বিদেশৰ শীৰ্ষ উদ্যোগপতিসকলে ভাগ ল'ব। এই সন্মিলন সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা আমিনুল হক জোৱাদ্দাৰে এইদৰে কয়-

***(বাইট ঃ আমিনুল হক জোৱাদ্দাৰ)***

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ৰাজ্যত এক লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰৰ বাবে অনুমোদন জনোৱা হৈছে যদিও এই বিনিয়োগৰ পৰিমাণ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি এই সন্মিলনৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতি পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত কয়, যে প্ৰথমবাৰৰ বাবে অসমত ভালেসংখ্যক দেশী-বিদেশী প্ৰতিনিধি আৰু বিনিয়োগকাৰীৰ সমাগম হোৱাটোৱেই ইতিবাচক পৰিৱৰ্তনৰ সূচনা কৰিছে বুলি আশা কৰিব পাৰি। সন্মিলনত

অংশগ্ৰহণৰ বাবে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ নেতৃত্বত ৪৫ খন দেশৰ প্ৰতিনিধি দল এটা দেওবাৰে অসমত উপস্থিত হয়। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰী, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ উপৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে এই সন্মিলনৰ অংশ হিচাপে কেইবাখনো গুৰুত্বপূৰ্ণ আলোচনাসত্ৰত ভাগ ল'ব।

০০০০০০

চাহ উদ্যোগ তথা চাহ জনজাতিৰ উন্নয়নে অনাগত সময়ত অসমৰ বিকাশৰ গতি ত্বৰান্বিত কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। গুৱাহাটীৰ সৰুসজাইত কালি ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান **ঝুমইৰ বিনন্দিনী**ৰ শুভাৰম্ভ কৰি তেওঁ কয়, যে এসময়ত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা উপেক্ষিত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে বৰ্তমানৰ চৰকাৰে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন সংস্কৃতিৰ নিজকে ব্ৰেণ্ড এম্বেছেডৰ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ঝুমইৰ বিনন্দিনী অনুষ্ঠানে অসমৰ গৌৰৱ বৃদ্ধি কৰাৰ লগতে ভাৰতৰ বৈচিত্ৰ্য প্ৰকট কৰা বুলি উল্লেখ কৰে। চাহ জনগোষ্ঠীৰ সৱলীকৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লৈ প্ৰধানমন্ত্ৰীয়ে কয়, যে চাহ বাগিছা অঞ্চলত বসবাস কৰা ল'ৰা-ছোৱালীৰ বাবে চৰকাৰে এশখন বিদ্যালয়ৰ লগতে এশতকৈও অধিক আদৰ্শ বিদ্যালয় স্থাপন কৰিছে। একেদৰে তিনিশতকৈ অধিক আয়ুষ্মান আৰোগ্য মন্দিৰ নিৰ্মাণ, গৰ্ভৱতী মহিলাক ১৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্যৰ উপৰি চাহ জনগোষ্ঠীৰ লোকসকলৰ বাবে ৩ শতাংশ আসন সংৰক্ষণৰ কথাও তেওঁ ভাষণত উল্লেখ কৰে। শ্ৰীমোদীয়ে এই বৰ্ণাঢ্য অনুষ্ঠান আয়োজনৰ বাবে অসম চৰকাৰ তথা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনায়।

*(বাইট ঃ প্ৰধানমন্ত্ৰী)*

চৰকাৰে বীৰ লাচিত বৰফুকনৰ দিৱস নতুন দিল্লীত আড়ম্বৰপূৰ্ণভাৱে আয়োজন কৰাৰ প্ৰসংগও প্ৰধানমন্ত্ৰীয়ে ভাষণত এইদৰে উল্লেখ কৰে।

*(বাইট ঃ প্ৰধানমন্ত্ৰী)*

অনুষ্ঠানত আদৰণি ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালিৰ দিনটো অসমৰ জাতীয় জীৱনৰ বাবে এটা উজ্বল দিন বুলি অভিহিত কৰে। ড০ শৰ্মাই চৰাইদেউ মৈদামক ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি প্ৰদান, অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যদা আৰু নামৰূপ সাৰ কাৰখানাৰ পুনৰ উজ্জীৱিতকৰণৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূমিকাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, গুৱাহাটী সৰুসজাই ষ্টেডিয়ামত কালি আঠ হাজাৰৰো অধিক শিল্পীয়ে একেলগে ঝুমুৰ নৃত্য পৰিৱেশন কৰে। চাহ জনগোষ্ঠীৰ চহকী সাংস্কৃতিক পৰম্পৰাক বিশ্ববাসীৰ সন্মুখলৈ লৈ যোৱাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আয়োজন কৰা এই কাৰ্যসূচী প্ৰধানমন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ নেতৃত্বত অহা ৬১ গৰাকী ৰাষ্ট্ৰদূতেও উপভোগ কৰে। ইয়াৰে ২২ গৰাকী ৰাষ্ট্ৰদূতে পৰিয়ালৰ সৈতে এই অনুষ্ঠান প্ৰত্যক্ষ কৰে। ঝুমুৰ নৃত্য শেষ হোৱাৰ পাছত এটা লেজাৰ শ্ব'ও প্ৰদৰ্শন কৰা হয়।

০০০০০০০

ৰাজ্যৰ চাহ শ্ৰমিকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ বাবে চাহ বাগিচা লাইনৰ মাটি চাহ জনগোষ্ঠীৰ নামত আৱণ্টন দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত ঝুমইৰ বিনন্দিনী অনুষ্ঠানত ভাষণ দি কালি মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই কথা উল্লেখ কৰে। ঝুমুৰ নৃত্য

সম্পূৰ্ণৰূপে অসমৰ চাহ জনগোষ্ঠীৰ সাংস্কৃতিক সম্পদ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে অসমীয়া সংস্কৃতি, কলা-কৃষ্টিৰ ক্ষেত্ৰত চাহ জনগোষ্ঠী আৰু আদিবাসী লোকসকলৰ যথেষ্ট অৱদান আছে। অসমীয়া ভাষাক নিজৰ বুলি আকোৱালি লৈ তেওঁলোকে অসমীয়া ভাষা-সংস্কৃতিক সমৃদ্ধ কৰা বুলিও তেওঁ কয়। ৰাজ্য চৰকাৰে চাহ জনগোষ্ঠীৰ লোকসকলৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰি চাহ বাগিছাৰ লোকৰ বাবে ৩ শতাংশ আসন সংৰক্ষণ কৰা হৈছে। চাহ বাগিছাত হাইস্কুল নিৰ্মাণ আৰু ৩০০ টাতকৈও অধিক আয়ুষ্মাণ আৰোগ্য মন্দিৰ নিৰ্মাণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

০০০০০০০

এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ বাবে কমেও ৬১ খন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্ত অসমলৈ আহিছে। মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই যোৱানিশা কেইবাখনো ৰাষ্ট্ৰৰ প্ৰতিনিধিক সুকীয়াকৈ সাক্ষাৎ কৰি আলোচনাত মিলিত হয়। ডº শৰ্মাই অষ্ট্ৰেলিয়াৰ উচ্চায়ুক্ত ফিলিপ গ্ৰীণক সাক্ষাৎ কৰি অষ্ট্ৰেলিয়াৰ সৈতে অসমৰ সম্পৰ্ক শক্তিশালী কৰাৰ উপৰি শিক্ষা, ক্ৰীড়াকে ধৰি কেইবাটাও বিষয়ত গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে ছিংগাপুৰৰ উচ্চায়ুক্ত ছাইমন ৱাঙক সৌজন্যমূলক সাক্ষাৎ কৰি ভাৰত-ছিংগাপুৰৰ পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত অসমৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰে। ডº শৰ্মাই কালি গুৱাহাটীত ব্ৰিটেইনৰ উপ-উচ্চায়ুক্ত এণ্ড্ৰিউ ফ্লেমিঙকো সাক্ষাৎ কৰে। সাক্ষাৎকালত দুয়োগৰাকী নেতাই বিভিন্ন ধৰণৰ পাৰস্পৰিক বিষয় আৰু অসমৰ সৈতে সম্পৰ্ক শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰে।

উল্লেখযোগ্য যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডº এছ জয়শংকৰৰ নেতৃত্বত ৪৫ খন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তৰ এটা দল পৰহিয়েই যোৰহাটত উপস্থিত হৈ কালি গুৱাহাটীত ঝুমইৰ বিনন্দিনী কাৰ্যসূচী উপভোগ কৰে। তদুপৰি কালি কমেও ১৬ খন ৰাষ্ট্ৰৰ প্ৰতিনিধি অসমত উপস্থিত হয়। সাংবাদিকৰ আগত প্ৰতিৰক্ষা মন্ত্ৰী ডº জয়শংকৰে কয়, যে বিদেশী ৰাষ্ট্ৰসমূহৰ প্ৰতিনিধিৰ এই কাৰ্যসূচীত ব্যাপক ৰূপত অংশগ্ৰহণে তেওঁলোক ভাৰত তথা অসমক লৈ আগ্ৰহী হোৱা কথাটোকে প্ৰতীয়মান কৰিছে। দেশৰ এক্ট-ইষ্ট নীতি ৰূপায়ণত অসমক অগ্ৰাধিকাৰ দিয়া হৈছে বুলি উল্লেখ কৰি ডº জয়শংকৰে কয়, যে এই সন্মিলন বিনিয়োগ আকৰ্ষণ কৰাৰ লগতে অসমৰ অৰ্থনৈতিক সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি প্ৰগতিৰ পথ প্ৰশস্ত কৰাত সহায়ক হ'ব। উল্লেখযোগ্য যে ডº জয়শংকৰে আজি এই সন্মিলনৰ অংশ হিচাপে এখন গুৰুত্বপূৰ্ণ আলোচনা সত্ৰত অংশগ্ৰহণ কৰাৰ কথা।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে অসমকে ধৰি দেশৰ ২১ খন ৰাজ্যক জনজাতীয় মানচিত্ৰ প্ৰস্তুত কৰাৰ নিৰ্দেশ দিছে। এই মানচিত্ৰত বনাঞ্চলৰ ভিতৰত থকা তথা দুৰণিবটীয়া অঞ্চলৰ আদিবাসী গাঁওসমূহৰ নক্সা থাকিব। এই মানচিত্ৰই প্ৰতিখন আদিবাসী গাঁৰৰ জনসংখ্যা আৰু সাংস্কৃতিক ঐতিহ্যৰ তথ্য প্ৰদানত সহায় কৰিব। ইয়াৰ জৰিয়তে এতিয়াও ভূমিৰ পট্টা লাভ নকৰা আদিবাসীসকলৰ তথ্যও চৰকাৰে লাভ কৰিব। ২০০৬ চনত বন অধিকাৰ আইন কাৰ্যকৰী কৰা ৰাজ্যসমূহক এই মানচিত্ৰ প্ৰস্তুত কৰিবলৈ কোৱা হৈছে। বন অধিকাৰৰ দাবী নিষ্পত্তিত হোৱা বিলম্বৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে এই নিৰ্দেশ জাৰি কৰিছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। তথ্য অনুসৰি যোৱা ১ ফেব্ৰুৱাৰী পৰ্যন্ত বনাঞ্চলত ভূমিৰ অধিকাৰ দাবী কৰা ৪৮ দশমিক ৯ - ৫ শতাংশ লোকক পট্টা দিয়া হৈছে। পট্টা প্ৰদানৰ বাবে ৩৬ দশমিক ৪ - ৩ শতাংশ দাবী অগ্ৰাহ্য কৰা হয় আৰু ১৪ দশমিক ৬ - ২ শতাংশ দাবী এতিয়াও নিষ্পত্তি হোৱা নাই। আদিবাসী পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই

প্ৰকাশ কৰা মতে আদিবাসী অঞ্চলৰ মানচিত্ৰই সংশ্লিষ্ট ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক ভূমিৰ অধিকাৰ দাবী নিষ্পত্তি কৰিব পৰা অঞ্চলবোৰ চিনাক্ত কৰাত সহায় কৰিব।

০০০০০০০

গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত কালি ঝুমইৰ বিনন্দিনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ, দেশী-বিদেশী বিনিয়োগকাৰীৰ অংশগ্ৰহণেৰে আজিৰেপৰা গুৱাহাটীত দুদিনীয়াকৈ এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ কাৰ্যসূচী, ৰাজ্যত ১ লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰৰ বাবে অনুমোদন আদি বিভিন্ন বাতৰি আজিৰ কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

ঝুমইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যৰ চাহ উদ্যোগ আৰু চাহ শ্ৰমিকসকলৰ উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লৈ নিজকে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন সংস্কৃতিৰ বেগু এম্বেচাদৰ বুলি অভিহিত কৰাৰ বাতৰি **দৈনিক অসম** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে। **দা আছাম ট্ৰিবিউন** কাকতে এই বাতৰিটো 'I'm brand ambassador of NE culture, asserts Modi' শিৰোনামেৰে প্ৰকাশ কৰিছে।

আজিৰেপৰা গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত কেইবাকোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰৰ বাবে অনুমোদন জনোৱাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা**ৰ লগতে প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰৰ নেতৃত্বত ৫০ খন দেশৰ ৰাষ্ট্ৰদূতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰাৰ লগতে বহুকেইখন ৰাষ্ট্ৰৰ প্ৰতিনিধি দলে কামাখ্যা মন্দিৰ দৰ্শন কৰাৰ বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে।

বাংলাদেশৰ বিখ্যাত কক্স বাজাৰ জিলাত থকা বায়ুসেনা ঘাটিত দুবৃত্তই কৰা আক্ৰমণত এজন অসামৰিক লোকৰ মৃত্যু হোৱা এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ব্ৰিটিছ্ আৰু ম্যানমাৰৰ মাজত সম্পাদিত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে ব্ৰিটিছে অসমত ঔপনিবেশিক শাসন প্ৰতিষ্ঠাৰে ৰাজ্যৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ ভৱিষ্যত অন্ধকাৰৰ দিশে লৈ যোৱা বুলি অনুভৱ কৰি কেইবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানে কালিৰ দিনটো ক'লা দিৱস হিচাপে পালন কৰে। বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ধুবুৰীত পুনৰ চিট ফাণ্ড কোম্পানীৰ প্ৰৱঞ্চনা, আৰক্ষীয়ে অভিযান চলাই নগদ ধনসহ তিনিজন লোকক গ্ৰেপ্তাৰ কৰাৰ এটা বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মেঘালয়ৰ পৰিষদীয় নিৰ্বাচনত ৫৮ খন আসনৰ ভিতৰত বিজেপিয়ে এখনো আসনত লাভ নকৰাৰ বাতৰি **আমাৰ অসম** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত ৰাজ্যত প্ৰায় ২০ লাখ বাসগৃহ নিৰ্মাণ কৰা হৈছে বুলি এটা বাতৰি **দি ছেণ্টিনেল** কাকতে বিতংভাৱে প্ৰকাশ কৰিছে।

এতিয়া পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০০

ৰাৱলপিণ্ডিত অনুষ্ঠিত পুৰুষৰ আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত কালি নিউজিলেণ্ডে বাংলাদেশক ৫ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি বাংলাদেশে নিৰ্ধাৰিত ৫০ অভাৰত ৯ উইকেটৰ বিনিময়ত ২৩৬ ৰাণ কৰে। দলটোৰ হৈ নাজমুল হুছেইন শান্তোৱে ৭৭ ৰাণ কৰে।

প্ৰত্যুত্তৰত নিউজিলেণ্ডে ৪৬ অভাৰ এটা ১টা বলত ৫টা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলটোৰ হৈ মাইকেল ব্ৰেচৱেলে ৪টা উইকেট দখল কৰে। ৰচীন ৰবিন্দ্ৰই সৰ্বাধিক ১১২ ৰাণ কৰে। মাইকেল ব্ৰেচৱেলক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

নিউজিলেণ্ডৰ এই বিজয়ৰ ফলত পাকিস্তান আৰু বাংলাদেশ দুয়োটা দল প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। গ্ৰুপ-এৰ দুখনকৈ খেলত জয়লাভ কৰি ভাৰত আৰু নিউজিলেণ্ডে ৪ পইণ্টকৈ লাভ কৰিছে। দল দুটাই ছেমি ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত আকাশ ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। অসম আৰু অৰুণাচলৰ কোনো কোনো অংশত বিজুলী ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰা হৈছে।

০০০০০০

**সমাপ্ত**